**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 03-05-2025 **Time :** 1340 Hrs.

## Assamese Midday Bulletin

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নতুন দিল্লীত ভাৰত ভ্ৰমনলৈ অহা এংগোলাৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হৈছে।
২। গোৱাৰ বিচোলিমৰ শ্বিৰগাও গাৱঁত অনুষ্ঠিত শ্ৰীলাইৰাই দেৱী যাত্ৰা উৎসৱত পদপিষ্ট হৈ আজি ৬জন লোকৰ মৃত্যু হয়।
৩। ভাৰতে শীঘ্ৰে কাৰ্যকৰী হোৱাকৈ পাকিস্তানৰ পৰা সকলোধৰণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ আমদানিত নিষেধাজ্ঞা জাৰি কৰিছে।
৪। মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ ২০২৫ত কালি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়।
আৰু
৫। আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেগালুৰুৱে চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে খেলিব।

000000

প্ৰধানমন্ত্ৰী নেৰন্দ্ৰ মোদী নতুন দিল্লীত ভাৰত ভ্ৰমনলৈ অহা এংগোলাৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হৈছে। এই আলোচনাত দুইখন দেশৰ মাজত বিভিন্ন ক্ষেত্ৰৰ দ্বিপাক্ষি সহযোগিতাৰ কেইবাখনো চুক্তি স্বাক্ষৰ হোৱাৰ আশা কৰা হৈছে। কালি তিনিদিনীয়া ভ্ৰমনসূচীৰে নতুন দিল্লীলৈ অহা এগোলাৰ ৰাষ্ট্ৰপতি জোৱাও মেনুৱেল গনক্লেভছ ল'ৰেংক'ক আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিক আদৰণি জনোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক আদৰণি জনায়। বিদেশী ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজঘাটলৈ গৈ জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধিস্থলত শ্ৰদ্ধাঞ্জলি জনায়। ৰাষ্ট্ৰপতি ল'ৰেংক'ৰ সৈতে দেশখনৰ কেইবাগৰাকী মন্ত্ৰী জ্যেষ্ঠ বিষয়া, ব্যৱসায়ী প্ৰতিষ্ঠানৰ মুৰব্বী আৰু সংবাদ মাধ্যমৰ লোকো নতুন দিল্লীলৈ আহিছে।

ৰাষ্ট্ৰপতি ভৱনত আতিথ্য গ্ৰহণ কৰি এংগোলাৰ ৰাষ্ট্ৰপতিয়ে সংবাদ মাধ্যমক কয়, যে বিগত ৩৮ বছৰত এয়া হৈছে এংগোলাৰ কোনো এগৰাকী ৰাষ্ট্ৰপতি প্ৰথম ভাৰত ভ্ৰমণ আৰু এয়া এংগোলাৰ বাবে স্মৰণীয় মুহুৰ্ত হৈ থাকিব। তেওঁ এই ভ্ৰমণে ভাৰত আৰু এংগোলাৰ মাজত বন্ধুত্বৰ সম্পৰ্ক দৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি অতিথি ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে আলোচনাত মিলিত হোৱাৰ লগতে তেওঁৰ সন্মানাৰ্থে ভোজ মেলৰ আয়োজন কৰিব। বিদেশমন্ত্ৰী ড০ এছ জয়শংকৰে আজি পুৱা ৰাষ্ট্ৰপতি ল'ৰেংক'ক সাক্ষাৎ কৰে।

০০০০

গোৱাৰ বিচোলিমৰ শ্বিৰগাও গাৱঁত অনুষ্ঠিত শ্ৰীলাইৰাই দেৱী যাত্ৰা উৎসৱত পদপিষ্ট হৈ আজি ৬জন লোকৰ মৃত্যু হয়। এই ঘটনাত ৮০ৰো অধিক লোক আহত হয়। আজি নিচেই পুৱা কেইবাশতিকা পুৰণি মন্দিৰটোত অনুষ্ঠিত এই পৰম্পৰাগত উৎসৱত ভাগ ল'বলৈ হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়। মানুহৰ ভিৰ তথা ঠেলা হেঁচাত বহু মানুহ পৰি গৈ পদপিষ্ট হয়। আহতসকলক গোৱা চিকিৎসা মহাবিদ্যালয় হাস্পিতালকে ধৰি অনান্য চিকিৎসালয় ভৰ্তি কৰোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ প্ৰমোদ সাৱন্ত আহতসকলক সাক্ষাতৰ বাবে চিকিৎসালয়লৈ যায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছজন লোকে প্ৰাণ হেৰুওৱা এই শোকাবহ ঘটনাত গভীৰ দুখ প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে স্থানীয় প্ৰশাসনে ভুক্তভোগীসকলৰ সাহায্য অব্যাহত ৰাখিছে। তেওঁ পদপিষ্ট হৈ মৃত্যু হোৱাসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জনোৱাৰ লগতে আহতসকলৰ আশোআৰোগ্য কামনা কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱেও গোৱাৰ শ্বিৰগাৱৰ ঘটনাত শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাত শোকগ্ৰস্ত পৰিয়াললৈ সমবেদনা জনোৱাৰ লগতে আহতসকলৰ আৰোগ্য কামনা কৰে।

০০০০

ভাৰতে শীঘ্ৰে কাৰ্যকৰী হোৱাকৈ পাকিস্তানৰ পৰা সকলোধৰণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ আমদানিত নিষেধাজ্ঞা জাৰি কৰিছে। বিদেশ বাণিজ্যৰ সঞ্চালক প্ৰধানগৰাকীয়ে এখন জাননীযোগে প্ৰকাশ কৰা অনুসৰি শীঘ্ৰে কাৰ্যকৰী হোৱাকৈ পাকিস্তানৰ পৰা ভাৰতে সকলোধৰণৰ সামগ্ৰীৰ আমদানি আৰু সৰবৰাহত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জাননীখনৰ মতে ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু জনস্বাৰ্থ নীতিৰ স্বাৰ্থতে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই নিষেধাজ্ঞাৰ যিকোনো সালসলনিৰ বাবে চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন হ'ব।

০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি কালিৰ নিৰ্বাচনত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হয়।

তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৭০ দশমিক ৫-০ শতাংশ, চৰাইদেউত ৫০ দশমিক ৯-৪ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৬১ দশমিক ৬-৭ শতাংশ, যোৰহাটত ৭২ দশমিক ১ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৬৪ দশমিক ৫-১ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হয়।

সামগ্ৰিকভাৱে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সম্পন্ন হয়  যদিও কোনো কোনো অঞ্চলত অৱশ্যে দুই-এটা বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। এই কেন্দ্ৰসমূহত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পুনৰ ভোটগ্ৰহণ হ'বলগীয়া ৪৩টাকেন্দ্ৰৰ ভিতৰত হাইলাকান্দিত ৩১ টা, শ্ৰীভূমিত ৮টা, লক্ষিমপুৰত ২টা, গোলাঘাটত ১টা আৰু মাজুলীত ১টাকৈ ভোটকেন্দ্ৰ আছে।

ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। দুয়োটা পৰ্যায়ৰে ভোটগণনা অহা ১১ মে'ত সম্পন্ন হ'ব।

০০০০

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ ২০২৫ চলিত বৰ্ষৰ ৩১ জুলাইৰ পৰা ৫ বছৰৰ পৰা ১৮ বছৰৰ ভিতৰত শিশুৰ বাবে মনোনয়ন প্ৰক্ৰিয়া মুকলি কৰিছে। প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ হৈছে দেশৰ শিশুসকলৰ ব্যতিক্ৰমী কৃতিত্বক স্বীকৃতি দিবলৈ ৰাষ্ট্ৰপতিয়ে প্ৰতি বছৰে প্ৰদান কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক সন্মানীয় বঁটা। সাহস, সমাজ সেৱা, পৰিবেশ, ক্ৰীড়া, কলা-সংস্কৃতি , বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰা শিশুসকলৰ এই পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানে ব্যতিক্ৰমী কৃতিত্ব শিশুসকলেও স্ব-মনোনয়নৰ জৰিয়তে আবেদন কৰিব পাৰে। আবেদন পত্ৰত মনোনীত ব্যক্তিৰ বিৱৰণ, কৃতিত্বৰ বিষয়ে বৰ্ণনা কৰা সংক্ষিপ্ত বিৱৰণীৰ লগতে মনোনয়ন সমৰ্থিত ব্যক্তিগৰাকীৰ বৃত্তি আৰু ফটো সংযোজন কৰি দিব লাগিব। উল্লেখযোগ্য যে মনোনয়ন awards.gov.in ত ৰাষ্ট্ৰীয় পুৰস্কাৰ পৰ্টেলৰ জৰিয়তে অনলাইনযোগে জমা দিব পাৰিব। মনোনয়ন দাখিলৰ অন্তিম দিন ৩১ জুলাই ধাৰ্য কৰা হৈছে।

০০০০০

এতিয়া শুনক ৱেভছ্ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ্ ২০২৫ত কালি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়। কালি এই সন্মিলনত মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত গুমৰাগ নাচে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অসমৰ পৰা মুম্বাইলৈ যোৱা শিল্পীসকলে গুমৰাগ পৰিৱেশন কৰাৰ উপৰি ত্ৰিপুৰাৰ ৰিয়াং জনগোষ্ঠীৰ নৃত্যশিল্পীসকলে হোজাগিৰি লোকনৃত্যও পৰিৱেশন কৰে। কালি ৱেভছৰ মঞ্চত ৰিয়েলিটি শ্বো শাখাত **ফনকাৰছ বেণ্ডু**ক পুৰস্কাৰ প্ৰদান কৰা হয়। এই বেণ্ডত অসমৰ দুগৰাকী যুৱক নয়নজ্যোতি খাটনিয়াৰ আৰু সঞ্জয় বসুমতাৰীও আছে। ৱেভছ্ সন্মিলনত লাভ কৰা অভূতপূৰ্ব সঁহাৰিৰ প্ৰতি লক্ষ্য ৰাখি এই সন্মিলন দুবছৰৰ পৰিৱৰ্তে প্ৰতিবছৰে অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰে।

কালি ৱেভছত গ্ল'বেল মিডিয়া ডাইলগ ২০২৫ শীৰ্ষক এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ অন্তত সদস্য ৰাষ্ট্ৰসমূহে ৱেভছ্ ঘোষণা পত্ৰও গ্ৰহণ কৰে।

এই ৱেভছ্ সন্মিলনৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৱেভছ্ সন্মিলনত অংশগ্ৰহণ কৰা অসমৰ কেইবাগৰাকী প্ৰতিনিধিয়ে তেওঁলোকৰ মন্তব্য আগবঢ়াব। অনুষ্ঠানৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

আই পি এল টি টুৱেণ্টি ক্রিকেট প্রতিযোগিতাত আজি ৰয়েল ছেলেঞ্জাৰ্চ বেগালুৰুৰে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে সাত বজাত বেগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। যোৱা নিশা আহমেদাবাদত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ৩৮ ৰানত ছানৰাইৰ্জাছ হায়দৰাবাদক পৰাস্ত কৰে। প্ৰথমে বেট ধৰি গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২২৪ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত ছানৰাইৰ্জাছ হায়দৰাবাদে ২০ অভাৰত ৬টা উইকেট হেৰুৱাই মাত্ৰ ১৮৬ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ অভিষেক শৰ্মাই ৪১টা বলত ৭৪ ৰানৰ বৰঙণি আগবঢ়ায়। মাত্ৰ ১৯ ৰান দি দুটা উইকেট দখল কৰা গুজৰাট টাইটানছৰ প্ৰসিদ্ধ কৃষ্ণাক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়।

০০০